# ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য স্মাৰক বক্তৃতা



বিষয় ঃ বিশ্বব্ৰহ্মাণ্ড আৰু জীৱন ঃ পাৰস্পৰিক সম্পৰ্ক

বক্তা ঃ ড° অমৰজ্যোতি চৌধুৰী

স্থান ঃ ৰবীন্দ্ৰ ভৱন, গুৱাহাটী

তাং ঃ ২৬ অক্টোবৰ, ২০০৮

ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য সোঁৱৰণী ন্যাস
গুৱাহাটী - ৭৮১০০৪

# ।। বিশ্বব্ৰহ্মাণ্ড আৰু জীৱন ঃ পাৰস্পৰিক সম্পৰ্ক ।।

—ড° অমৰজ্যোতি চৌধুৰী

মানুহজন আহিলেই যেন এজাক বতাহ বৈ আহে। শান্ত সমাহিত বতাহ। যুক্তিৰ বীজ থকা বতাহ। প্ৰত্যয়ৰ গভীৰতা থকা বতাহ। যেন পৰিপূৰ্ণ বতাহৰ এজাক। ল'ৰালিকালৰ পৰা মানুহজনক দেখিছো। দেউতা লক্ষ্যধৰ চৌধুৰীৰ লগত আলহী কোঠাত কথা পাতি থকা দেখিছো। প্ৰথমবাৰ তেখেতৰ লগত কথা হোৱাৰ অভিজ্ঞতাও মনত পুহি ৰাখিছো। দেউতাই সেই সময়ত **"মোৰ লক্ষ্য"** নামৰ এটা কবিতা লিখি দিছিল। সেই কবিতাটো দেউতাৰ কথা মতে এদিন তেখেতক গাই শুনাইছিলো। মানুহজন যোৱাৰ পিচত মই ক'লো "মানুহজন আনৰ লগত নিমিলে।' দেউতাই ক'লে "ঠিকেই কৈছ - কিন্তু কচোন কিয় ?" মই তপৰাই ক'লো - "মানুহেতো সাধাৰণতে আবৃত্তি ভাল হোৱাৰ কথা কয়। তেখেতেও কৈছে। কিন্তু তাৰ পিচতেই তেখেতে সুধিছে - " এই যে কবিতাত তুমি গান্ধী হোৱাৰ কথা কৈছা,- জৱহৰলাল হোৱাৰ কথা কৈছা, জয় প্ৰকাশ হোৱাৰ কথা কৈছা - কিন্তু আচলতে কি হ'বা"? এই কথাতো আগতে কোনেও মোক সোধা নাছিল। সেই কাৰণেই কৈছো — "মানুহজন আনৰ লগত নিমিলে।" আজি সেই গৰাকী মানুহৰে সোঁৱৰণত দুআষাৰ কোৱাৰ সুযোগ পাইছো। চিন্তা কৰিবলৈ উদগণি দিয়া সেই গৰাকী বিৰল ব্যক্তিত্বৰ স্মৃতিত অলপ নতুন চিন্তাৰ সুযোগ পাইছো। সেয়ে মই অভিভূত হৈছো। এই সুযোগতে অনুপ্ৰেৰণাৰ উঁহ প্ৰয়াত ডক্তৰ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যদেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জনাইছো।

মোৰ মনত আছে - দেউতাই হাঁহি হাঁহি কৈছিল — "এখেতে তই জয় প্ৰকাশ বা লোহিয়া হ'লেই ভাল পাব।" মই সুধিছিলো - "কিয় ?" দেউতাই কৈছিল

- "এখেত আমাৰ নিচিনাকৈ চ'চিয়েলিষ্ট বুজিছ। জয় প্ৰকাশ, লোহিয়া বা কৃপালনী -- এই সকল আমাৰ চ'চিয়েলিষ্টবিলাকৰ গুৰু।" মোৰ লাহে লাহে অনুভৱ হৈছিল -- এই সমাজবাদে (চ'চিয়েলিজিম) ই দেউতা আৰু শ্ৰদ্ধাৰ ভট্টাচাৰ্য দুয়োকে একেডাল সূতাৰে বান্ধি ৰাখিছে। পিচলৈ দেখিছিলো - সমাজবাদেই তেখেতৰ সৃষ্টিশীলতাৰো উঁহ হৈছিলগৈ। সমাজবাদেই তেখেতৰ মানুহৰ প্ৰতি ভালপোৱাক বিশিষ্ট মাত্ৰা দিছিল। তেখেতৰ লিখনীতো তাৰ সাৱলীল প্ৰকাশ হৈছিল। ক্ষমতা ভগাই সাধাৰণ মানুহৰ মাজলৈ নিয়াটোৱেই সমাজ কল্যাণৰ জোনাকী বাট বুলি তেখেতে মনে প্ৰাণে বিশ্বাস কৰিছিল। তেখেতক শেষবাৰলৈ লগ পাওঁতে তেখেতে এই কথাকেই কৈছিল। সেই মানুহ দৰদী জনলৈ মোৰ প্ৰণিপাত জনালো।

তেখেতৰ সাহিত্য সৃষ্টিৰ বিষয়ে কোৱাৰ ধৃষ্টতা মোৰ নাই। তথাপিও এষাৰ কথা আটায়ে স্বীকাৰ কৰিব যে তেখেতৰ বিশখন উপন্যাস, ষাঠিটা গল্প, এশটা কবিতা, দহখন নাটক আৰু অসংখ্য ৰচনা অসমীয়া সাহিত্যৰ জালিকটা সম্ভাৰ। **'ৰামধেনু'** আৰু **'নৱযুগ'** আলোচনীৰ তেখেতৰ সম্পাদনায়ো কৃতিত্বৰ স্বাক্ষৰ ৰাখি থৈ গৈছে। মোৰ মনত আছে- তেখেতে প্ৰায়ে নতুন লিখনীৰ পাণ্ডুলিপি আনি দেউতাক পঢ়িবলৈ দিছিল। **"শতঘ্নী"** খন তেনেকৈয়ে পঢ়া মোৰ মনত আছে। **"ইয়াৰুইঙ্গম"**, **"মৃত্যুঞ্জয়"** **"প্ৰতিপদ"** ৰ নিচিনা ৰচনাই যে মোৰ মনৰ দিগন্ত বহলাই গৈছে সেয়া মই অকপটে স্বীকাৰ কৰো। জ্ঞানপীঠ বঁটা জয় কৰি তেখেতে অসমীয়া সাহিত্যকেই বিশিষ্ট মৰ্য্যাদা দিছে। সেই সৃষ্টিশীল প্ৰাণলৈ আকৌ এবাৰ প্ৰণাম জনালো।

তেখেতৰ বুদ্ধিদীপ্ততাই, তেখেতৰ সৈতে হোৱা প্ৰতিটো সাক্ষাতেই স্মৰণীয় কৰি ৰাখিছে। তেখেতৰ ৰচনাত একো একোটা চিন্তাক আলপৈছান ধৰি তাক একোজোপা গছলৈ ৰূপান্তৰিত কৰাৰ বহু দৃষ্টান্ত দেখিছিলো। সেয়ে তেখেতক সুধিছিলো "আপুনি বাৰু কেনেকৈ প্ৰায় শূন্যৰ পৰা এটা চিন্তাক জন্ম দি তাক বৰ গছ এজোপা কৰি তোলে?" লগে লগে তেখেতৰ উত্তৰ আহিল - " এই যে শূন্যৰ

পৰা বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি হ'ল তাতকৈ বাৰু ডাঙৰ কিবা হ'ব পাৰেনে? সাহিত্যই যে কয় - বিশ্বব্ৰহ্মাণ্ড এটা পৰিয়াল, - বিজ্ঞানে বাৰু কি কয়? বিজ্ঞানৰ বিশ্ববীক্ষাই কি কয়?" এনে এক বিশ্ববীক্ষা গঢ়ি তুলিবলৈ তেখেতৰ যে বৰ হাবিয়াস আছিল সেয়া তেখেতৰ কথাবতৰাত স্পষ্ট হৈ পৰিছিল। সেইদিনা মোৰ উত্তৰ খপ্‌জপ্ হৈছিল। সেয়ে আজি সেই বিষয়েই আলচিবলৈ মন বান্ধিছো। সেয়াই মোৰ শ্ৰদ্ধাৰ্ঘ্য বুলি আগবঢ়াইছো।

সেইদিনা পোনতে মই গছগছনি আৰু জীৱৰ গাঁথ নিৰ মাজৰ সাদৃশ্যৰ কথা কৈছিলো। আমাৰ তেজত থকা হিমগ্লবিনত হিম নামৰ এক অংশ থাকে। (১)। এই অংশ আকৌ **'পৰফিৰিন'** নামৰ ৰাসায়নিক সামগ্ৰীৰে গঠিত। ইয়াত বিশটা কাৰ্বন আৰু চাৰিটা নাইট্ৰজেন পৰমাণু থাকে। 'হিম'ত এনে অণুৰ কাৰ্বন আৰু নাইট্ৰজেনৰ দীঘলীয়া ঘেৰৰ মাজত এটা লোৰ পৰমাণু থাকে। সেইবাবেই তেজৰ ৰং ৰঙা। গছৰ পাতত থকা ক্ল'ৰ'ফিলতো **'পৰফিৰিন'** থাকে। কেৱল ইয়াত লোৰ পৰমাণুৰ সলনি মেগিনিচিয়ামৰ পৰমাণু থাকে। সেইবাবেই পাতৰ ৰং সেউজীয়া। এনেদৰেই গছ গছনি আৰু জীৱৰ মাজত ঐক্য পৰিষ্কাৰ হৈ পৰাৰ কথা সেইদিনা আঙুলিয়াই দিছিলো। জড় পদাৰ্থ আৰু জীৱৰ মাজৰ ঐক্যৰ কথাও কৈছিলো। কিন্তু উত্তৰ সংহত হোৱা নাছিল। সেয়ে উত্তৰটোৱে বিশ্ববীক্ষাৰ কাষ চাপিব পৰা নাছিল।

তেনেহলে বিশ্ববীক্ষানো কি? এয়া হৈছে বিশ্ব আৰু আমাৰ অস্তিত্ব সম্পৰ্কে এক সংহত দৃষ্টিভঙ্গী। চমুকৈ এয়া হৈছে জগতখনৰ আৰ্হি। যশোদাই কানাইৰ মুখত দেখা বিশ্বব্ৰহ্মাণ্ডৰ দৰে আৰ্হি। তাতেই আছে আমাৰ বিনন্দীয়া পৃথিবীখন। তাতেই আছে বিচিত্ৰ জীৱ। এই বিশ্বব্ৰহ্মাণ্ডৰে সৃষ্টি, বিকাশ আৰু অস্তিত্বৰ তত্বই হৈছে বিশ্ববীক্ষা। তাক আমি চাব খুজিছো বিজ্ঞানৰ চকুৰে। বিজ্ঞানৰ শেহতীয়া জ্ঞানেৰে।

বিশ্ববীক্ষাৰ পম খেদি আমি বাৰু ক'ত আৰম্ভ কৰো? আমি আৰম্ভ কৰিব খুজিছো আৰম্ভণিত- বিশ্ব সৃষ্টিৰ আৰম্ভণি সময়ত। তাহানিতেই ঋগবেদে সুধিছিল-

একোৰেই নাছিল যেতিয়া -

নাছিল বায়ু নাছিল আকাশ

কোনে ক'ত বন্ধ কৰি ৰাখিছিল ইয়াক

সেই আন্ধাৰত আছিল নেকি পানীৰ উ-াহ?

সেই উদ্যমেৰেই জানিবলৈ খুজিছো -- কেনেকৈ আৰম্ভ হ'ল এই বিশ্বব্ৰহ্মাণ্ড? কেনেকৈ আৰম্ভ হ'ল তাত জীৱন? কেনেকৈ আহিল জীৱৰ বিচিত্ৰ ৰূপ? তাৰ মাজত লুকাই আছে নেকি বিশ্বব্ৰহ্মাণ্ড আৰু জীৱনৰ ঐক্য? গছ গছনি আৰু জীৱৰ মাজতো বাৰু সংহতি বিচাৰি পোৱা যায় নেকি? মুঠতে শ্ৰদ্ধেয় ভট্টাচাৰ্যদেৱৰ ভাষাৰেই সুধিবলৈ খুজিছো - " সাহিত্যই যে কয় -- পৃথিবীখন এটা পৰিয়াল- বিজ্ঞানে বাৰু কি কয়?" আচলতে তাৰেই উত্তৰ বিচাৰি খেপিয়াই বাট বুলিছো আমি। এই যাত্ৰাত বিজ্ঞানেই আমাৰ সাৰথি।

ঋগবেদেও কৈছিল - শূন্যতাৰ পৰাই বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি হৈছিল। এতিয়াৰ বিজ্ঞানেও তাকেই কয় (২,৩,৪,৫,৬)। কিন্তু কেনেকৈ শূন্যতাৰ পৰাই আৰম্ভ হ'ল এই পাৰাপাৰ নোপোৱা বিশ্বব্ৰহ্মাণ্ড? আচলতে ধ্ৰুপদী বিজ্ঞানত তাৰ কোনো ব্যাখ্যা নাই। কিন্তু কোৱাণ্টাম বিজ্ঞান নামৰ এক অনুপ্ৰাণিত জ্ঞানে তাৰ ব্যাখ্যা দিয়ে। কোৱাণ্টাম বিজ্ঞানে কয় যে শূন্যতাৰো শক্তি আছে। শূন্যতাৰ টুকুৰাৰো শক্তি আছে। সেইদৰে শূন্যতাৰো দোলন আছে। সেই বিভিন্ন দোলনৰ মাজতো অনুনাদ হ'ব পাৰে। তাৰ পৰাই মহানাদৰ দৰে বিপুল শক্তিৰ বিস্ফোৰণ হ'ব পাৰে। এনেকৈয়ে সৃষ্টি হৈছিল বিশ্ব ব্ৰহ্মাণ্ড। এয়ে শূন্যতা সম্পৰ্কে বিজ্ঞানৰ ধাৰণা। এই দৃষ্টিত শূন্যতাৰ শক্তিয়েই যেন ভগৱান। সেই বিস্ফোৰণলৈকে উভতি চাইছো। এই মহানাদৰ পিচৰ ধাৰা বিৱৰণী বাৰু কেনে হ'ব? বিজ্ঞানীয়ে বিশ্বাস কৰে (৩, ৪, , ৬)- মহানাদৰ পিচত এক ছেকেণ্ড সময় উকলি যোৱাৰ পিচতে শক্তিৰ পৰা সৃষ্টি হ'ল লেপ্টন,

কোৱাৰ্ক আৰু গ্লুৱন নামৰ বুনিয়াদী কণা। এইবোৰ কণাই কিদৰে ভৰ পালে তাক চাবলৈয়ে অলপতে বিজ্ঞানৰ এটা ডাঙৰ পৰীক্ষাৰ আয়োজন কৰা হৈছিল। এক ছেকেণ্ডৰ এশভাগৰ এভাগ সময় উকলি যাওঁতে বিশ্বব্ৰহ্মাণ্ডৰ উষ্ণতা কমি হৈছিল এহেজাৰ কোটি ডিগ্ৰী। লাহে লাহে এই বিশ্বব্ৰহ্মাণ্ডলৈ আহিল ইলেকট্ৰন, নিউট্ৰিন' আৰু ফ'ট'ন নামৰ কণা। তিনিমিনিটৰ পিচত সৃষ্টি হ'ল পৰমাণুৰ ভিতৰত থকা নিউক্লিয়াচৰ। এশহেজাৰ বছৰ পিচতহে নিউক্লিয়াচ আৰু ইলেকট্ৰন লগ লাগি পৰমাণু হ'ল। কেবাশ কোটি বছৰ পিচতহে বিশ্বব্ৰহ্মাণ্ডখন এতিয়াৰ দৰে দেখিবলৈ হ'ল। এতিয়া বিশ্বব্ৰহ্মাণ্ডৰ বয়স হ'ল দহৰ পৰা বিশ শ কোটি বছৰ। আমাৰ পৃথিৱী খনৰ বয়স হ'ল চাৰিৰ পৰা পাচশ কোটি বছৰ। এই মহানাদৰ কিছু সময়ৰ পিচতে যি কণাৰ সৃষ্টি হ'ল তাৰ আন্তঃক্ৰিয়াৰেই গোটেইখন বিশ্বব্ৰহ্মাণ্ডৰ গঠন হ'ল। তাৰ ধূলিৰ পৰাই হ'ল গ্ৰহ, তৰা, আমাৰ পৃথিৱী - আনকি সকলো জীৱকে ধৰি আমাৰো দেহ। বিশ্বব্ৰহ্মাণ্ড আৰু জীৱনৰ সম্পৰ্কৰ গভীৰতা এই কথায়েই জল্‌জল্‌পট্‌পট্‌ কৰি দিয়ে।

বাস্তৱৰ গভীৰত বিশ্বব্ৰহ্মাণ্ডৰ বিভিন্ন অংশৰ মাজত আন্তঃক্ৰিয়াৰে ছায়াছবি এখন চলি আছে (২, ৩, ৪, ৫)। তাহানি মহানাদৰ সময়ৰে পৰা চলি আছে। এই আন্তঃসম্পৰ্ককে এতিয়া জুকিয়াই চাবলৈ আগবাঢ়িছো। আমাৰ চৌপাশে এতিয়া মহানাদৰে অশ্ম দেখিবলৈ পাও। আমি জানো যে এপাহি ফুল বৰ পৰিপাটিকৈ সজোৱা থাকে। তাক পদাৰ্থ বিজ্ঞানে সমমিতি বুলি কয়! এককথাত ক'ব পাৰি যে পদাৰ্থ বিজ্ঞানত সমমিতিয়েই হ'ল অপৰূপ সৌন্দৰ্য। সেই প্ৰচণ্ড শক্তিৰ বিস্ফোৰণো আছিল এক অপৰূপ সমমিতিৰ -- অপৰূপ সৌন্দৰ্যৰ। গণিতৰ পোহৰত দেখিবলৈ পোৱা অপৰূপ সৌন্দৰ্যৰ। সকলোবোৰ নিয়ন্ত্ৰিত হয় এক অপৰূপ সৌন্দৰ্যৰ শক্তিৰে। সেয়াই যেন পদাৰ্থ বিজ্ঞানৰ ভগৱান। আৰম্ভণিৰ সেই সময়ত বিশ্বব্ৰহ্মাণ্ড বিয়পি গৈছিল প্ৰচণ্ড বেগেৰে! তেনেদৰে বিয়পি যাওঁতে ই আগতকৈ চেঁচা হ'বলৈ ধৰিলে। সমমিতিৰো ভাঙোন হ'বলৈ ধৰিলে। এনেকৈয়ে মহা শক্তিৰ পৰা ওলাল চাৰিবিধ বল! এই বল কেইবিধ হ'ল --

(১)	দুৰ্বল বল ------- বিটা কণা ওলোৱাৰ সময়ত এই বল অনুভূত হয়।

(২)	সবল নিউক্লীয় বল -- এই বলে পৰমাণুৰ ভিতৰত থকা নিউক্লিয়াচক ধৰি ৰাখে।

(৩)	বিদ্যুৎ চুম্বকীয় বল --- এই বলে পৰমাণুক ধৰি ৰাখে।

(৪)	মহাকৰ্ষণ বল -- ডাঙৰ জ্যোতিষ্কৰ ক্ষেত্ৰত এই বল বেছিকৈ অনুভূত হয়!

এইদৰে দূৰত্ব অনুযায়ী এই চাৰিবিধ বলৰ এবিধে আধিপত্য বিস্তাৰ কৰে। জড় পদাৰ্থৰ ক্ষেত্ৰত এইদৰে কোনটো বলে আধিপত্য বিস্তাৰ কৰিব তাৰ এক আঁচনি আছে। পদাৰ্থকণাই এইদৰে দূৰত্ব অনুযায়ী আন্তঃক্ৰিয়াৰ ধৰণ ঠিক কৰি লয়। কিন্তু এই সকলো দূৰত্বতেই আন্তঃক্ৰিয়া অব্যাহত থাকে। এই অন্তঃক্ৰিয়াই এই বিশ্বব্ৰহ্মাণ্ডৰ অস্তিত্বৰ সাৰ। দৰাচলতে প্ৰতিটো বলৰ লগত এখন ক্ষেত্ৰ থাকে। এই ক্ষেত্ৰই কণাৰ বিনিময়েৰে আন্তঃক্ৰিয়া অব্যাহত ৰাখে। তাত কণা ওপজে, মৰে। ঠিক যেন শিৱৰ মহাজাগতিক নৃত্যহে অহৰহ চলি থাকে।

এই আন্তঃক্ৰিয়া বা আন্তঃ সম্পৰ্কৰে আৰু এক দিশ আছে। এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি যে ধ্ৰুপদী বিজ্ঞানে আমাক বস্তুৰ ধাৰণা দিয়ে। অবয়বৰ ধাৰণা দিয়ে। সেয়া কিন্তু পৰমাণুৰ জগতত উঁৱলি যায়। তাত পদাৰ্থকণা হৈ পৰে সম্ভাৱনাৰ আৰ্হি। বস্তুৰ সম্ভাৱনাৰ নহয়-বৰং সেয়া আন্তঃ সম্পৰ্কৰ সম্ভাৱনা। এই সম্পৰ্কৰ জালত আনৰ সৈতে আন্তঃক্ৰিয়াই আমাক দিয়ে পদাৰ্থ কণাৰ অস্তিত্বৰ সন্ধান। সেই জালৰ আন্তঃক্ৰিয়াই দিয়ে পদাৰ্থকণাৰ ধৰ্ম্মৰ ব্যাখ্যা। আকৌ নিউটনৰ ধাৰণাত বিশ্বব্ৰহ্মাণ্ড আছিল সৰল। তাত আছিল মৌলিক ধৰ্ম্ম থকা অবিভাজ্য সত্বা। সেইবোৰক আৰু বিশ্লেষণ কৰা সম্ভৱ নাছিল। কিন্তু শেহতীয়া বিশ্ববীক্ষাত এই অবিভাজ্য বুনিয়াদী সত্বাৰ ৰূপ ক্ৰমান্বয়ে মোলান পৰিছে। কাৰণ ইয়াত বিশ্বব্ৰহ্মাণ্ডই

হৈছে সম্পৰ্কিত ঘটনাৰ গতিশীল জাল। এই জালৰ কোনো অংশৰ ধৰ্ম্মই বুনিয়াদী নহয়। কাৰণ আন অংশৰ ধৰ্ম্ময়ো এই অংশৰ ধৰ্ম্ম নিৰূপণ কৰে। মুঠ কথাত এই ছবিত আন্তঃক্ৰিয়াই হৈছে গভীৰ বাস্তব। আন্তঃসম্পৰ্কই হৈছে চালিকা শক্তি। আমি জানো -- পৃথিৱীত জীৱৰ আৰম্ভণি হোৱাৰ আঢ়ৈশ কোটি বছৰ হ'ল। জীৱ যেতিয়া পৃথিৱীলৈ আহিল তেতিয়া প্ৰকৃতিয়েই হ'ল মাতৃ। মানুহ কিন্তু এই প্ৰকৃতিৰ ধ্বংস যজ্ঞত নামিল। আৱৰ্জ্জনাও বাঢ়িল। কিন্তু তথাপিও পৰিবেশে যে এই চাপ বহুখিনি চম্ভালি থয় সেয়া দেখদেখ কথা। ইয়ে উনুকিয়ায় -- পৰিবেশৰো এক পিচমুখী আন্তঃক্ৰিয়াৰ বাট আছে। গেয়া নামৰ তত্বয়ো তাকেই কয়। ইয়াৰ অৰ্থ এয়ে যে পৰিবেশৰ বিভিন্ন অংশয়ো আন অংশৰ লগত আন্তঃক্ৰিয়া কৰি থাকে। তাৰ জৰিয়তেই পৰিবেশে আন কথাত বিশ্বব্ৰহ্মাণ্ডৰ পৰিবেশৰ বিভিন্ন অংশৰ মাজতো আন্তঃক্ৰিয়াৰ জালে কাম কৰি থাকে। সূৰ্যৰ ৰ'দৰ বাবে ওপৰৰ বায়ুমণ্ডল আৰু পৃথিৱীপৃষ্ঠৰ মাজত উষ্ণতাৰ তাৰতম্য ঘটে। সেই তাৰতম্যৰ পৰিমাণ কমাবলৈ পৰিবেশে অণু পৰমাণুৰ সংগঠনেৰে গছ গছনিৰ পাতনি মেলে। এনেকুৱা বিশেষ পৰিস্থিতিত অণু পৰমাণুৰ সংগঠনেৰে জীৱৰ জীৱনৰো আৰম্ভণি হয় (৭,৮)। তাৰ বাবেও থাকে অণু পৰমাণুৰ মাজত পিচমুখী আন্তঃক্ৰিয়াৰ বাট। এইদৰেই বিশ্বব্ৰহ্মাণ্ড, ইয়াৰ পৰিবেশ, উদ্ভিদ আৰু জীৱজগতৰ মাজত অহৰহ আন্তঃক্ৰিয়া চলি আছে। বা গভীৰ অৰ্থত সম্পৰ্কৰ এনাজৰী বন্ধা আছে। সেয়াই এই অস্তিত্বৰ সত্য, এই বিশ্ববীক্ষাৰ সত্য। সেই কাৰণেই নিঃসন্দেহে ক'ব পাৰো যে বিজ্ঞানৰ দৃষ্টিতো উদ্ভিদ আৰু জীৱজগতকে লৈ গোটেই বিশ্বব্ৰহ্মাণ্ডই এটা পৰিয়াল। আহক -- এই সত্যই বিয়পি থকা তেখেতৰ ৰচনাক সেয়ে আকৌ এবাৰ লিৰিকিবিদাৰি চাওঁহক। তাৰে আমাৰ ভিতৰখন আকৌ এবাৰ পখালি লওঁহঁক।

## প্রাসঙ্গিক কিতাপ ঃ


(১) Encyclopedia Brittanica

(২) Fritjof Capra : The Tao of Physics, Shambhala Publications, Inc. ;4th edition (January 2000)

(৩) Stephen Hawking: the Brief History of Time, Bantam; 10 Anv. edition (1998)

(৪) Heinz. R Pagel : The Cosmic Code, Bantam (1984)

(৫) Setven Weinberg : The first three minutes, Basic Boosk; 2 Updated edition (1993)

(৬) Gary Zukav, The dancing Wu Li masters, Bantam (1984)

(৭) Fritjof Capra: The web of Life, Anchor (September 15, 1997)

(৮) Fritjof Capra : The Hidden Connection, Doubleday (2002)